# সেউজীয়া ঘৰ !

গ্ৰীন কলাম

পুলিন কলিতা

**গোলকীয়** উষ্ণতা বৃদ্ধিয়ে জটিল কৰি তোলা পাৰিৱেশিক সমস্যাৰপৰা মুক্তিৰ পথৰ সন্ধান গৱেষকসকলে অহৰ্নিশে কৰিবই লাগিছে। সকলোৰে জনা কথা যে সেউজগৃহ পৰিঘটনা হ'ল গোলকীয় উষ্ণতা বৃদ্ধিৰ মূল কাৰণ। সেয়ে বিজ্ঞানীসকলে এই পৰিঘটনাৰ প্ৰতিটো কাৰণ নিৰ্ণয়ৰ প্ৰচেষ্টাত লাগি আছে। এনে অধ্যয়নৰে শেহতীয়া ফল হ'ল মানুহক আশ্ৰয় আৰু আৰাম দিয়া ঘৰবোৰকো সেউজগৃহ সংঘটনৰ কাৰকৰূপে চিহ্নিতকৰণ। বিজ্ঞানীসকলৰ মতে, বিশেষকৈ বৰ বৰ নগৰবোৰৰ বৰ বৰ ঘৰবোৰেও সেউজগৃহ গেছ নিৰ্গত কৰে আৰু গোলকীয় উষ্ণতা বৃদ্ধিত বৰঙণি আগবঢ়ায়। উল্লেখ্য, নগৰ-মহানগৰবোৰে বিশ্বৰ প্ৰাকৃতিক সম্পদৰ ৭৫ শতাংশ ব্যৱহাৰ বা অধিক শুদ্ধকৈ ক'বলৈ হ'লে আত্মসাৎ কৰে আৰু ইয়াৰ বিনিময়ত ৫০ শতাংশ আবৰ্জনা সৃষ্টি আৰু ৭০ শতাংশ সেউজগৃহ গেছ নিৰ্গমন কৰে। সেউজগৃহ গেছৰ মূল উপাদান কাৰ্বন-ডাই-অক্সাইডৰো ৭০ শতাংশই নিৰ্গত কৰে নগৰ-মহানগৰবোৰে! এই অৰ্থত ই উদ্যোগতকৈও বিপদজনক। অৱশ্যে উদ্যোগক কেন্দ্ৰ কৰিয়েই বিশ্বৰ সৰহভাগ নগৰ-মহানগৰ গঢ়ি উঠিছে। সমগ্ৰ বিশ্বতে এতিয়া শক্তিৰ নাটনি। পিছে বিশ্বত উৎপাদিত শক্তিৰ দুই-তৃতীয়াংশও 'আত্মসাৎ' কৰে এই নগৰ-মহানগৰবোৰেই। দিনে দিনে এই পৰিমাণ বাঢ়ি যাব। অৰ্থাৎ নগৰ-মহানগৰবোৰ একো একোটা দৈত্যহে— যি সকলো ভাল বস্তু হজম কৰে আৰু আৱৰ্জনা উলিয়াই দিয়ে ঃ যি আৱৰ্জনাই ক্ষতি কৰে মানৱ সমাজৰে। পিছে নগৰ-মহানগৰৰ সম্প্ৰসাৰণ বন্ধ হোৱাৰ কোনো সম্ভাৱনা নাই; বৰং দিনে দিনে ই বাঢ়িহে গৈছে, আৰু যাবও।

নগৰ-মহানগৰৰ সম্প্ৰসাৰণ এটা বিশ্বজোৰা পৰিঘটনা। এটা সমীক্ষা মতে, ২০২৫ চনত বিশ্বৰ মুঠ জনসংখ্যাৰ ৬৫ শতাংশই নগৰ-মহানগৰৰ বাসিন্দা হ'ব। এই সংখ্যাটো ১৯৮৬ চনৰ বিশ্বৰ মুঠ জনসংখ্যাৰ সমান। বিশ্ব পৰিসংখ্যাৰ সৈতে তাল মিলাই ভাৰততো নগৰ-মহানগৰৰ সম্প্ৰসাৰণ ঘটিছে, আৰু ঘটি থাকিব। ভাৰতৰ নগৰীকৰণৰ বৰ্তমানৰ হাৰ ৩০ শতাংশ; ২০৩০ চনলৈ এই হাৰ ৪০ শতাংশ হোৱাৰ সম্ভাৱনা। সেই বছৰত এই সংখ্যাটো হ'বগৈ আমেৰিকা যুক্তৰাজ্যৰ বৰ্তমানৰ জনসংখ্যাৰ সমান।

জনসংখ্যা বৃদ্ধিৰ লগে লগে নগৰ-মহানগৰবোৰত ঘৰৰ সংখ্যাও বাঢ়ি যাব। এটা সমীক্ষা মতে, ২০০৫ চনত ভাৰতৰ





নগৰ-মহানগৰৰ নিৰ্মাণ ক্ষেত্ৰৰ (constructed area) পৰিসৰ আছিল ২৫ বিলিয়ন বৰ্গ ফুট; এই পৰিসৰ ২০৩০ চনলৈ ৫ গুণ বাঢ়ি ১০৪ বিলিয়ন বৰ্গ ফুট হ'বগৈ! এই হিচাপত নগৰ-মহানগৰত শক্তিৰ ব্যৱহাৰ আৰু কাৰ্বন-ডাই-অক্সাইডৰ নিৰ্গমনো বাঢ়িব। ই অকল ভাৰতৰে নহয়, এটা বিশ্বজোৰা পৰিঘটনা হোৱা হেতুকে সমগ্ৰ পৃথিৱীতে এনে সমস্যা হ'ব। এই সমস্যাৰে সমাধান হিচাপে বিজ্ঞানীসকলে সেউজীয়া ঘৰ (Green Building)ৰ অৱধাৰণা আগবঢ়াইছে। ভাৰত চৰকাৰে ২০০৭ চনত ঘোষণা কৰা ৰাষ্ট্ৰীয় নিৰ্মাণ সূচক (National Building Code)-ৰ সম্প্ৰসাৰণ হিচাপে ২০১০ চনত শক্তি সংৰক্ষণ নিৰ্মাণ সূচক (Energy Conservation in Buiding Code) ঘোষণা কৰিছে। যদিও বিজ্ঞানীকল্পিত সেউজীয়া ঘৰৰ নিৰ্মাণৰ নিশ্চিতি এই দুই সূচকে দিব পৰা এতিয়ালৈ নাই, তথাপি শক্তিৰ সংৰক্ষণ তথা সেউজগৃহ গেছ নিৰ্গমন হ্ৰাসত এই ব্যৱস্থাবোৰে বহুখিনি আশাৰ সঞ্চাৰ কৰিছে। সেউজীয়া ঘৰ সম্পৰ্কে বহুখিনি আলোচনাৰ প্ৰয়োজন আছে, কাৰণ এই অৱধাৰণাৰ কোনো পাতনি আমাৰ ৰাজ্যত এতিয়াও তৰাই হোৱা নাই। এই আলোচনাৰ বাট মুকলি ৰখা হৈছে।

*লেখকৰ ফোন ঃ ৯৮৬৪২৯৬১৩১, ই-মেইল ঃ pulinkalitaghy@gmail.com*